**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-03-2026 **Time :** 1100 Hrs.

বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিলৰ অন্তিম দিন। বিভিন্ন জিলাত ইতিমধ্যে ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল মনোনয়ন পত্ৰ দাখিলৰ বাবে সমদল কৰি জিলা আয়ুক্ত কাৰ্যালয় অভিমুখে ৰাওনা হৈছে। প্ৰাৰ্থীসকলে বিয়লি ৩ বজা পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব। কামৰূপ মহানগৰ জিলাত আজি বিজেপিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ, বিজয় গুপ্তা, দিপ্লু ৰঞ্জন শৰ্মা আৰু মিত্ৰদল এ জি পিৰ ডিমৰীয়া সমষ্টিৰ প্ৰাৰ্থী ড° তপন দাসে মনোনয়ন পত্ৰ দাখিলৰ বাবে আগবাঢ়িছে। কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ, বিদিশা নেওগ তথা এ জে পিৰ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী কুংকী চৌধুৰীয়েও মনোনয়ন দাখিল কৰিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে যোৰহাটত মনোনয়ন পত্ৰ দাখিল কৰিব। অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে তেওঁক সংগ দিব। গোলাঘাটত অগপৰ সভাপতি অতুল বৰাই, টিংখঙত বিজেপিৰ প্ৰাৰ্থী নোমল বৰাই, নাহৰকটীয়াত তৰংগ গগৈয়ে মনোনয়ন দাখিল কৰিব।

নলবাৰীত বিজেপিৰ জয়ন্ত মল্লবৰুৱা, চন্দ্ৰমোহন পাটোৱাৰী আৰু নাৰায়ণ ডেকাই মনোনয়ন দাখিল কৰিব। তেওঁলোকে গৰ্ডন খেলপথাৰৰ পৰা শোভাযাত্ৰা কৰি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যাব। ইপিনে, কংগ্ৰেছ দলৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং উপস্থিত থকাৰ কথা।

মনোনয়ন দাখিলৰ অন্তিম দিনাৰ বাবে জিলা প্ৰশাসনসমূহেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে মনোনয়ন দাখিলৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যোৱা হেঙেৰাবাৰী পথত জন সমাগম তথা যানজঁটৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি গণেশগুৰি উৰণ সেতুৰ তলৰ পৰা গণেশগুৰি হেঙেৰাবাৰী পথত শোভাযাত্ৰা উলিওৱাত বাধা আৰোপ কৰা হৈছে। তদুপৰি এই সময়ছোৱাত জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদৰ আশে-পাশে জন সমাগমতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

উল্লেখযোগ্য যে মনোনয়ন পত্ৰসমূহ কাইলৈ পৰীক্ষা কৰা হ'ব আৰু ২৬ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০০

অহা ৯ এপ্ৰিলত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণত এইবাৰ প্ৰথমবাৰৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰত ম'বাইল ফোন জমা দিব পৰা ব্যৱস্থা কৰা হৈছে। নিৰ্বাচন আয়োগৰ ন্যূনতম সুবিধাৰ আশ্বাস আৰু ভোটদাতা সহযোগিতাৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ব্যৱস্থাৰ সুচাৰু ৰূপায়ণ সুনিশ্চিত কৰাৰ বাবে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰই প্ৰৱেশপথৰ বাহিৰত ম'বাইল ফোন জমা দিব পৰা ব্যৱস্থা থাকিব। ভোটগ্ৰহণ কেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ছুইচ অফ হৈ থকা অৱস্থাত ম'বাইল ফোন ৰখাৰ অনুমতি দিয়া হ'ব।

ভোটদাতাসকলে ভোটগ্ৰহণ কেন্দ্ৰত প্ৰৱেশৰ পূৰ্বে নিৰ্দিষ্ট স্বেচ্ছাসেৱকৰ ওচৰত নিজৰ ম'বাইল ফোনসমূহ জমা দিব লাগিব। ইয়াৰ বাবে তেওঁলোকক একোটাকৈ টোকেন দিয়া হ'ব। ভোটদাতাসকলে ভোটদান কৰাৰ পাছত এই টোকেনটো জমা দি ম'বাইল ফোন সংগ্ৰহ কৰিব পাৰিব।

০০০০০০০

আজি বিশ্ব ভালুক দিৱস। ভালুকৰ অবৈধ বেপাৰ ৰোধ তথা  ক্ৰমাগতভাৱে হ্ৰাস পাই অহা ইয়াৰ বাসস্থান সংৰক্ষণৰ জৰিয়তে আঠোটা প্ৰজাতিৰ ভালুকৰ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৩ মাৰ্চ দিনটো বিশ্ব ভালুক দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দিৱসৰ জৰিয়তে জলবায়ু পৰিৱৰ্তন আৰু বনাঞ্চল ধবংসৰ ফলত এই প্ৰাণীবিধৰ জীৱনলৈ অহা ভাবুকিৰ প্ৰতি সকলোকে সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০

কামৰূপ জিলাৰ মনাহকুছিৰ শ্ৰীশ্ৰীবাসন্তী দুৰ্গামন্দিৰত আজিৰেপৰা ছদিনীয়া কাৰ্যসূচীৰে পঞ্চবিংশতিতম বাসন্তী দুৰ্গা পূজা তথা ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ আয়োজন কৰা হৈছে। আজি ধৰ্মধবজা উত্তোলন, গছপুলি ৰোপণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। পূজাৰ সৈতে সংগতি ৰাখি পৰৱৰ্তী দিনকেইটাত ওজাপালি, নাম-প্ৰসংগ, স্মৃতিগ্ৰন্থ উন্মোচন, নাগাৰা নাম আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বাসন্তী দুৰ্গা পূজাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে ২৭ মাৰ্চত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াত কেইবাগৰাকী শিল্পীয়ে গীত পৰিবেশন কৰিব।

০০০০০০০

**সমাপ্ত**